# গোট ৮ ভাৰতৰ ভাস্কৰ্য্য আৰু স্থাপত্য

## গাঁঠনি

৮.০ পাতনি আৰু উদ্দেশ্যাৱলী
৮.১ ভাৰতৰ ভাস্কৰ্য-স্থাপত্য
৮.১.১ ভাস্কৰ্য্য-স্থাপত্যৰ অৰ্থ
৮.১.২ সিন্দু উপত্যকাৰ সভ্যতাৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৩ বৈদিক যুগৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৪ মৌৰ্য যুগৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৫ কুষাণ যুগৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৬ গুপ্ত যুগৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৭ দক্ষিণ ভাৰতৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৮ চুলতাল আমোলৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.৯ মোগল যুগৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.১০ পাল আৰু সেন বংশৰ ভাস্কৰ্য্য-স্থাপত্য
৮.১.১১ সামৰণি
৮.২ মূল পাঠৰ সাৰাংশ
৮.৩ অনুশীলনী
৮.৩.১ বোধজ্ঞান অনুশীলনী
৮.৩.২ বৈয়াকৰণিক অনুশীলনী
৮.৩.৩ পঠন অনুশীলনী
৮.৩.৪ লিখন অনুশীলনী
৮.৪ উত্তৰ-সংকেত
৮.৫ অতিৰিক্ত পঠন উপদেশ
৮.৬ ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

## ৮.০ পাতনি আৰু উদ্দেশ্যাৱলী

সভ্যতা-সংস্কৃতিৰ অন্যতম অভিব্যক্তি ভাস্কৰ্য্য-স্থাপত্য । প্ৰাক্-ঐতিহাসিক যুগৰে পৰা ভাৰতৰ বুকুত গঢ় লৈ অহা অজস্ৰ ভাস্কৰ্য্য-স্থাপত্যই ভাৰতৰ সুমহান সভ্যতা-সংস্কৃতিকে প্ৰতিফলিত কৰিছে । জ্যোতি প্ৰসাদ আগৰৱালাই কৈছিল ঃ "স্থাপত্যতেই প্ৰতিফলিত হয় এটা জাতিৰ চৰিত্ৰ । এটা জাতিৰ জীৱনীও লেখা থাকে স্থাপত্যতে । " সেয়েহে ভাৰতীয় আত্মাক জানিবলৈ হ'লে ভাৰতীয় ভাস্কৰ্য্য-স্থাপত্যক জানিব লাগিব ।

যুগ যুগ ধৰি বাহিৰৰ পৰা প্ৰবজন হোৱা বিভিন্ন গোষ্ঠীৰ জনস্ৰোতৰ সমন্বয়ত ভাৰতীয় সভ্যতা গঢ় লৈ উঠিছে । ভাৰতীয় ভাস্কৰ্য-স্থাপত্যও এক সমন্বয়ৰেই প্ৰতীক । আৰ্য, অনা-আৰ্য, গ্ৰীক, শক, হুন, পাঠান, মোগল সকলোৰে অৱদানেৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্য ঠন ধৰি উঠিছে; সমন্বয়ৰ আদৰ্শই ভাৰতীয় ভাস্কৰ্য্য-স্থাপত্যৰ মূল বৈশিষ্ট্য ।

ধৰ্মপ্ৰাণ ভাৰতীয়ৰ ভাস্কৰ্য-স্থাপত্যও মূলতঃ ধৰ্মমূলক । ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিকতাই হৈছে ভাৰতীয় স্থাপত্যৰ-আধাৰ । প্ৰাক্ ঐতিহাসিক জনবিশ্বাসৰ পৰা আৰম্ভ কৰি বৈদিক, ব্ৰাহ্মণ্য, বৌদ্ধ, জৈন, ইছলাম আদি বিভিন্ন ধৰ্মীয় ভাৱ ধাৰাৰ আধাৰত ভাৰতীয় ভাস্কৰ্য-স্থাপত্য গঢ় লৈ উঠিছে । বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চণাৰ বাবে বিভিন্ন মন্দিৰ-দেৱালয় আদি নিৰ্মাণ কৰা হৈছিল । মন্দিৰবোৰত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি স্থাপন কৰা হৈছিল। মন্দিৰৰ গাত বিভিন্ন ধৰ্মমূলক কাহিনীৰ আধাৰত ভাসকৰ্য কৰা হৈছিল । অৱশ্যে ৰাজপ্ৰাসাদ, দুৰ্গ, প্ৰাচীৰ, স্তম্ভ আদিৰ গাতো বিভিন্ন ধৰ্মীয় কাহিনী, দেৱদাসীৰ নৃত্যৰ ভঙ্গিমা, ৰজাৰ সমৰ সজ্জা, জন-সাধাৰণৰ জীৱন কাহিনী, নাৰী সৌন্দৰ্যৰ বিভিন্ন প্ৰকাশ, বিভিন্ন জীৱজন্তু, গছ, লতা, ফুল আদিৰ চিত্ৰ অতিশয় সুন্দৰভাৱে অংকিত অথবা খোদিত কৰা হৈছিল । এনে ধৰণৰ বিভিন্ন ভাস্কৰ্য-স্থাপত্যৰে ভাৰতবৰ্ষ অত্যন্ত চহকী দেশ ।

কালৰ কৰাল গ্ৰাসত পৰি ভাৰতৰ বহুতো ঐতিহ্যমণ্ডিত ভাস্কৰ্য-স্থাপত্য ধ্বংস হ'ল । বৰ্বৰ হুণৰ উপৰিও চুলতান মামুদ, টাইমুৰ আদিৰ আক্ৰমণেও ভাৰতবৰ্ষৰ বহুত মূল্যবান ভাস্কৰ্য-স্থাপত্য ধ্বংস কৰিলে । ভাৰতবাসীৰ নিজৰ চেতনাহীন আৰু অৱহেলাৰ বাবেও বহুত ভাস্কৰ্য-স্থাপত্য লোপ পালে । উনবিংশ শতিকাত কেই গৰাকীমান ইংৰাজী মনীষী আৰু তেওঁলোকৰ অন্ধ প্ৰেৰণাৰে কেইবাগৰাকী ভাৰতীয় পণ্ডিতৰ চেষ্টাত আমাৰ বহুতো প্ৰাচীন ভাস্কৰ্য-স্থাপত্যৰ উদ্ধাৰ আৰু মূল্যাংকণ কৰা হৈছে। গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনে প্ৰাচীন ভাস্কৰ্য-স্থাপত্যৰ সংৰক্ষণৰ উদ্দেশ্যে 'প্ৰাচীন-স্তম্ভ সংৰক্ষণ আইন' প্ৰণয়ন আৰু 'প্ৰত্নতত্ত্ব জৰিপ' প্ৰৱৰ্তন কৰি এই ক্ষেত্ৰত এক মহৎ উপকাৰ সাধিলে।

এই পাঠিত ভাৰতৰ সভ্যতাক মহিমামন্বিত কৰা বিভিন্ন জনসমষ্টিৰ সংস্পৰ্শ আৰু আদৰ্শৰ সমন্বয়ৰে গঢ় লৈ উঠা ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ আভাস দিবলৈ বিচৰা হৈছে। দেশ বা জাতিৰ অতীত গৌৰৱৰাশিয়ে ভৱিষ্যত দেশ বা জাতি গঢ়াত অন্ধ প্ৰেৰণা দিয়ে। আমাৰ ঐতিহ্যমণ্ডিত ভাস্কৰ্য-স্থাপত্যই গৌৰৱময়

অতীতক সোঁৱৰাই দিয়ে। লগে লগে ভাৰতীয় যে এটা মহান জাতি তাকো প্ৰকাশ কৰে। তদুপৰি বিভিন্ন জাতি-উপজাতিৰ উপাদানেৰে সমৃদ্ধ হোৱা সমন্বয়ৰ প্ৰতীক আমাৰ এই মহান ভাস্কৰ্য-স্থাপত্যৰ স্মৃতিয়ে আমাৰ জাতীয় ঐক্য সুদৃঢ় কৰে। ভাস্কৰ্য-স্থাপত্যৰ অপূৰ্ব সৌন্দৰ্য আৰু কলাৰ মাধুৰ্যই মনত বিমল আনন্দ দিয়াৰ লগতে গাম্ভীৰ্য আৰু পৱিত্ৰতা প্ৰদান কৰে। সেয়ে ভাৰতীয় ভাস্কৰ্য-স্থাপত্য প্ৰতিজন ভাৰতবাসীৰ আদৰৰ ধন, বাপতি সাহোন।

## উদ্দেশ্যাৱলী

এই গোটটো পঢ়াৰ পাচত আপোনালোকে কব পাৰিব

- ভাৰতৰ বিভিন্ন অঞ্চলত কেনে ধৰণৰ ভাস্কৰ্য আৰু স্থাপত্যই গা কৰি উঠিছিল
- এই বৈচিত্ৰৰ মাজতো আমাৰ ঐক্য কেনেকৈ বৰ্তি আছিল
- মানুহৰ ধৰ্মৰ অনুশীলনৰ লগত স্থাপত্য ভাস্কৰ্যৰ কেনে নেৰানেপেৰা সম্বন্ধ
- এনে ধৰণৰ ৰচনাই কেনে ভাষা শৈলী আৰু শব্দমালা দাবী কৰে

অন্য পাঠৰ লগত সম্পৰ্ক ঃ পূৰ্বতে আপোনালোকে ভাৰতৰ উৎসৱ পৰ্ব সম্বন্ধে জানিবলৈ পাইছে। উৎসৱ পৰ্বৰ ধৰ্মীয় দিশটো মঠ-মন্দিৰৰ লগত জড়িত। এই গোটে সেই দিশটোৰ ওপৰত আলোকপাত কৰিছে। ভাষাৰ ফালৰ পৰা পূৰ্বৰ গোটত থকা ব্যাকৰণ সম্পৰ্কীয় লেখাটোৰ সমগোত্ৰীয়।

## ৮.১ ভাৰতীয় ভাস্কৰ্য আৰু স্থাপত্য

### ৮.১.১ স্থাপত্য আৰু ভাস্কৰ্যৰ সংজ্ঞা

সাধাৰণ অৰ্থত গৃহ-নিৰ্মাণ কৌশলকে 'স্থাপত্য' বোলা হয়; প্ৰাচীন মন্দিৰ, ৰাজ-প্ৰাসাদ স্তম্ভ, স্তূপ আদি স্থাপত্যৰ নিদৰ্শন। বিভিন্ন মূৰ্তি, মন্দিৰ বা প্ৰাসাদৰ গাত খোদিত কৰা কলা সমূহক 'ভাস্কৰ্য' বোলা হয়। বৰ্তমান অৱশ্যে এই সংজ্ঞাৰ সলনি হৈছে। প্ৰাচীন ভগ্নাৱশেষ, মন্দিৰ-মছজিদ, প্ৰাসাদ-মহল, স্তম্ভ-স্তূপ, গম্বুজ-মিনাৰ, প্ৰাচীন নগৰী বা দুৰ্গ, মূৰ্তি বা খোদিত চিত্ৰ সকলোকে একেলগে ভাস্কৰ্য-স্থাপত্য বোলা হয়।

ভাস্কৰ্য-স্থাপত্য এটা জাতিৰ জাতীয় সম্পদ; সভ্যতাৰ মাপকাঠি। ভাৰতীয় ভাস্কৰ্য-স্থাপত্যও ভাৰতবাসীৰ অমূল্য সম্পদ, ভাৰতীয় সভ্যতাৰ মূল আধাৰ। ভাৰতীয় সভ্যতা সংস্কৃতিৰ ফল্গুধাৰা যিদৰে 'বহুৰ মাজত এক, বৈচিত্ৰৰ মাজত ঐক্যৰ সাধনা', ভাৰতীয় ভাস্কৰ্য স্থাপত্য কলাও সেইদৰে বিভিন্ন ধাৰাৰ সমন্বয় আৰু সংস্পৰ্শৰ যোগেদি সৃষ্টি। পৰস্পৰ সমন্বয়ৰ আদৰ্শই ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ মূল বৈশিষ্ট্য।

ভাৰতীয় সকল অতীজৰে পৰা সুন্দৰৰ পূজাৰী। সুন্দৰৰ সাধনা, সুন্দৰৰ প্ৰকাশ প্ৰতিজন ভাৰতীয়ৰে আকাংক্ষা। 'সত্যম্-শিৱম্-সুন্দৰম্' ভাৰতীয় আত্মাৰ মহান বাণী। সেয়েহে এইখন দেশত প্ৰাক্-ঐতিহাসিক যুগৰে পৰা গঢ় লৈ উঠিছে বাৰে বৰণীয়া ভাস্কৰ্য-স্থাপত্য।

### ৮.১.২ সিন্ধু উপত্যকাৰ সভ্যতাৰ ভাস্কৰ্য-স্থাপত্য

আৰ্যসকলৰ আগমনৰ বহু আগতে ভাৰতবৰ্ষৰ সিন্ধু উপত্যকাত এক উন্নত সভ্যতা বিৰাজ কৰিছিল। মহেঞ্জোদাৰো-হাৰাপ্পাৰ ধ্বংসাৱশেষ সেই প্ৰাগৈতিহাসিক যুগৰ সভ্যতাৰ শ্ৰেষ্ঠ চানেকি। এই ধ্বংসাৱশেষত পোৱা ইটাৰে নিৰ্মিত পকীঘৰ, স্নানাগাৰ, নাদ, জীৱ জন্তুৰ বিভিন্ন মূৰ্তি আদি ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন। সিন্ধু উপত্যকাৰ এই সভ্যতাৰ মেছোপটেমিয়া, মিছৰ আদিৰ প্ৰাচীন সভ্যতাৰ লগত সম্পৰ্ক আছিল গুণে এই সময়ৰ ভাস্কৰ্য-স্থাপত্যৰো সেই প্ৰাচীন সভ্যতা সমূহৰ লগত সামঞ্জস্য দেখা যায়।

### ৮.১.৩ বৈদিক যুগৰ ভাস্কৰ্য-স্থাপত্য

ভাৰতৰ প্ৰাচীন বৈদিক যুগৰ সভ্যতা যে সকলো ফালৰ পৰা অতি উন্নত আছিল সেয়া ঐতিহাসিক সত্য। গতিকে এই সময়ত যে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰো যথেষ্ট উৎকৰ্ষ সাধন হৈছিল তাত কোনো সন্দেহ নাই। কিন্তু দুৰ্ভাগ্যবশতঃ এই যুগৰ ভাস্কৰ্য-স্থাপত্য বিশেষ উদ্ধাৰ হোৱা নাই। সম্ভৱতঃ এই সময়ৰ ভাস্কৰ্য-স্থাপত্যসমূহ কাঠ বা তেনে ক্ষয়িষ্ণু পদাৰ্থৰে সজা বাবে লোপ পালে। ঋক্ বৈদিক যুগত আৰ্যসকল প্ৰকৃতিৰ উপাসক হোৱা বাবে আৰু তেওঁলোক মূৰ্তি উপাসক নাছিল বাবে হয়তো দেৱ-দেৱীৰ মূৰ্তি সেই সময়ত বেচি গঠন হোৱা নাছিল; কিন্তু পিচত মূৰ্তি উপাসক হোৱাত তেওঁলোকে ভাস্কৰ্য-স্থাপত্য নিশ্চয় সৃষ্টি কৰিছিল। পুৰাণ আৰু মহাকাব্যৰ যুগত বিভিন্ন আখ্যানৰ মাজত ভাস্কৰ্য-স্থাপত্যৰ উৎকৰ্ষৰ আভাস পোৱা যায়। সৃষ্টিকৰ্তা ব্ৰহ্মা বা কলাৰ দেৱতা বিশ্বকৰ্মাৰ কাহিনীয়ে তাৰে আভাস দিয়ে।

### ৮.১.৪ মৌৰ্য্য যুগৰ ভাস্কৰ্য-স্থাপত্য

খৃষ্টপূৰ্ব ষষ্ঠ শতিকাত মগধ সাম্ৰাজ্যৰ উত্থান আৰু ইয়াৰ পৰৱৰ্ত্তি কালত মগধ সাম্ৰাজ্যত মৌৰ্য-ৰাজবংশৰ শাসন প্ৰতিষ্ঠা ভাৰতবুৰঞ্জীৰ এটি উল্লেখযোগ্য ঘটনা। মৌৰ্য-ৰাজবংশৰ শাসন কালত ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ যথেষ্ট উৎকৰ্ষ হৈছিল। পাটলিপুত্ৰ, সাৰনাথ, নালন্দা আৰু অন্যান্য ঠাইত আৱিষ্কৃত ধ্বংসাৱশেষে তাৰ প্ৰমাণ দিয়ে। চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজপ্ৰাসাদ কাঠেৰে নিৰ্মিত আছিল। কেইবা শতাব্দীৰ পিচত ভাৰতলৈ অহা চীন পৰিব্ৰাজক ফাহিয়ানে এই প্ৰাসাদৰ সৌন্দৰ্য দেখি মুগ্ধ হৈছিল।

ভাৰতীয় ভাস্কৰ্য-স্থাপত্যত মহাৰাজ অশোকৰ বৰঙণি অতুলনীয়। এই গৰাকী ৰজাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি বুদ্ধদেৱৰ প্ৰেম, শান্তি আৰু অহিংসাৰ বাণী প্ৰচাৰৰ বাবে বহুতো বিহাৰ, স্তম্ভ, স্তুপ আদি স্থাপন কৰিছিল। তেওঁ সজোৱা স্তম্ভ, স্তম্ভশীৰ্ষৰ সিংহ, ষাঁড় প্ৰভৃতি পশুমূৰ্তি অতি আকৰ্ষণীয়। ধৌলিৰ খোদিত হাতীৰ বিশাল মূৰ্তি মৌৰ্য-যুগৰ উল্লেখযোগ্য ভাস্কৰ্য। স্তম্ভৰ শীৰ্ষভাগৰ পশুমূৰ্তিৰ গঠন-প্ৰণালী আৰু মসৃণতা অতি মুগ্ধকৰ। বাৰানসীৰ ওচৰৰ সাৰনাথৰ স্তম্ভই আজিও মানুহক মোহিত কৰে। এই যুগত শিলত কটা ভাস্কৰ্য-স্থাপত্যত গ্ৰীক আৰু ইৰাণী প্ৰভাৱ প্ৰতিফলিত হৈছিল বুলি বহু পণ্ডিতে মত প্ৰকাশ কৰে।

**আপোনাৰ প্ৰগতি পৰীক্ষা কৰক ১**

ওপৰৰ পাঠাংশত থকা মনত ৰাখিবলগীয়া কথাখিনি সম্পৰ্কে নিশ্চিত হবৰ কাৰণে তলত দিয়া প্ৰশ্নসমূহ উত্তৰ কৰক।

১। ভাস্কৰ্য আৰু স্থাপত্যৰ মাজত প্ৰভেদ কি?

.....................................................................................................................

.....................................................................................................................

২। ভাৰতীয় ভাস্কৰ্য আৰু স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন কি?

.....................................................................................................................

.....................................................................................................................

৩। সিন্ধু উপত্যকাৰ সভ্যতাক কোন প্ৰাচীন সভ্যতাৰ লগত তুলনা কৰা হৈছে?

.....................................................................................................................

.....................................................................................................................

৪। ঋক্ বৈদিক যুগত আৰ্যসকল কিহৰ উপাসক আছিল?

.....................................................................................................................

.....................................................................................................................

৫। ভাৰতৰ ভাস্কৰ্য স্থাপত্যত অশোকৰ বৰঙনিক কিয় অতুলনীয় বুলি কোৱা হৈছে?

.....................................................................................................................

.....................................................................................................................

৬। মৌৰ্য যুগৰ ভাস্কৰ্য স্থাপত্যত কিহৰ প্ৰভাৱ প্ৰতিফলিত হোৱা বুলি কোৱা হৈছে?

.....................................................................................................................

.....................................................................................................................

৭। চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজপ্ৰাসাদ কিহেৰে নিৰ্মিত আছিল?

.....................................................................................................................

.....................................................................................................................

৮। ফাহিয়ান কোন আৰু তেওঁৰ কথা ইয়াত কি প্ৰসংগত কোৱা হৈছে?

.....................................................................................................................

.....................................................................................................................

৯। বৈদিক যুগৰ ঘৰ দুৱাৰ, মঠ মন্দিৰ আদি কিহেৰে নিৰ্মিত হৈছিল বুলি অনুমান কৰা হৈছে?

.....................................................................................................................

.....................................................................................................................

১০। সিংহ, ষাঁড় আদি পশুমূৰ্তি কোন সময়ত বেচি ব্যাপকভাৱে খোদিত কৰা হয়?

.....................................................................................................................

.....................................................................................................................

## ৮.১.৫ কুষাণ যুগৰ ভাস্কৰ্য-স্থাপত্য

কুষাণ যুগ ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ এটি স্মৰণীয় অধ্যায়। এই যুগতে ভাৰতীয় আৰু গ্ৰীক শিল্পধাৰাৰ সমন্বয়ত বিখ্যাত 'গান্ধাৰ-শিল্পকলা' গঢ় লৈ উঠিছিল। বৌদ্ধ ভাস্কৰ্য-শিল্পৰ ওপৰত গ্ৰীক আৰু ৰোমান শিল্পৰ প্ৰভাৱ পৰি সুদৰ্শন বৌদ্ধ মূৰ্তিবোৰ নিৰ্মিত হৈছিল। সম্ভৱতঃ এই সময়ত গান্ধাৰ শিল্পীসকলে গ্ৰীকদেৱতা এপ'লো, জিউজ আদিৰ আহিৰ্ত বুদ্ধ মূৰ্তিবোৰ নিৰ্মাণ কৰিছিল। গান্ধাৰৰ উপৰিও অমৰাৱতী, মথুৰা, পুৰুষপুৰ (পেছোৱাৰ) অঞ্চলতো ভাস্কৰ্য-স্থাপত্য শিল্পৰ প্ৰভূত চৰ্চা হৈছিল। মথুৰাত আৱিষ্কৃত কনিষ্কৰ এটি মস্তকহীন প্ৰস্তৰ মূৰ্তি আৰু পুৰুষপুৰৰ বিশাল চৈত্যই এতিয়াও দৰ্শকক চমৎকৃত কৰে।

প্ৰকৃতত মৌৰ্য-ৰাজবংশৰ পৰা গুপ্তযুগৰ আগলৈকে এই সময়ছোৱাৰ ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ বিকাশ কালক বৌদ্ধযুগ বুলি আখ্যা দিব পাৰি। কাৰণ মগধ সাম্ৰাজ্যৰ উত্থানৰ সমসাময়িক কালতে বৌদ্ধধৰ্মৰো উত্থান হৈছিল আৰু মৌৰ্য-ৰাজবংশৰ কালত এই ধৰ্মৰ প্ৰচাৰ ভাৰতৰ প্ৰায় সৰ্বত্ৰ হৈছিল। সেয়েহে এই সময়ৰ ভাস্কৰ্য-স্থাপত্যত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ বৈচিত্ৰৈ পৰিস্ফুট হৈছিল। বুদ্ধ গয়া, সাঁচী, ভাৰহুট, সাৰনাথ, অমৰাৱতী আদি ঠাইত বৌদ্ধ স্থাপত্যৰ অপূৰ্ব নিদৰ্শনসমূহ আৱিষ্কৃত হৈছে। বৌদ্ধ স্থাপত্য শিল্পৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে মঠ, স্তূপ, স্তূপৰ আৱেষ্টনী, তোৰণ ইত্যাদি। সাঁচীৰ স্তুপ বৌদ্ধ ভাস্কৰ্যৰ সকলোতকৈ আকৰ্ষণীয় সৃষ্টি। বুদ্ধদেৱৰ জীৱনৰ বিভিন্ন ঘটনাৰ আলমত ভাস্কৰ্যসমূহ গঢ়া হৈছিল। গান্ধাৰ, মথুৰা, অমৰাৱতী আদিৰ বুদ্ধদেৱৰ জীৱন্ত যেন লগা প্ৰস্তৰ মূৰ্তিসমূহ এই সময়তে গঢ় লোৱা। স্তম্ভ নিৰ্মাণ বৌদ্ধ শিল্পকলাৰ এক আকৰ্ষণীয় বৈশিষ্ট্য। শিলৰ পাহাৰ কাটি গুহা নিৰ্মাণ বৌদ্ধ যুগৰ শিল্প কৌশলৰ আন এটি আশ্চৰ্যজনক বৈশিষ্ট্য। মুঠতে বৌদ্ধযুগৰ এই ভাস্কৰ্য-স্থাপত্যসমূহে আজি শ শ বছৰৰ পিচতো দৰ্শকৰ মনত গভীৰ বিস্ময়ৰ সৃষ্টি কৰে।

বৌদ্ধধৰ্মৰ সমসাময়িক কালৰে অন্য এক ধৰ্ম জৈন ধৰ্মক কেন্দ্ৰ কৰিও ভাস্কৰ্য-স্থাপত্যৰ সৃষ্টিৰ হৈছিল। উড়িষ্যাৰ উদয়গিৰি, গণ্ডগিৰি, ইলোৰা, জুনাগড় আবু পৰ্বত আদিত জৈন ভাস্কৰ্য-স্থাপত্য বিশেষভাৱে বিকাশ হৈছিল। খৃঃ পূঃ দ্বিতীয় শতিকাত কলিঙ্গৰাজ খাৰবেলে কেইবাটাও জৈন মন্দিৰ, স্তম্ভ আৰু গুহা সাজিছিল। কিন্তু জৈন ধৰ্মই বৌদ্ধ ধৰ্মৰ দৰে ৰজাঘৰীয়া পৃষ্ঠপোষকতা নোপোৱাত জৈন শিল্প বৌদ্ধ শিল্পৰ দৰে উন্নত হব নোৱাৰিলে।

## ৮.১.৬ গুপ্তযুগৰ ভাস্কৰ্য-স্থাপত্য

ভাৰত বুৰঞ্জীত গুপ্তযুগক সোণালী যুগ আখ্যা দিয়া হয়। এই যুগত সাহিত্য, বিজ্ঞান, বাণিজ্য আদিৰ লগতে ভাস্কৰ্য-স্থাপত্যৰো চৰম উৎকৰ্ষ হৈছিল। এই যুগ ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰো সোণালী যুগ। ধৰ্মক ভিত্তি কৰিয়েই এই যুগৰ শিল্পকলা গঢ়ি উঠিছিল। গুপ্ত ৰজাসকল বেচিভাগেই ব্ৰাহ্মণ্য ধৰ্মৰ পৃষ্ঠপোষক আছিল যদিও বৌদ্ধ, জৈন সকলো ধৰ্মৰ শিল্পকলাৰে উদাৰভাৱে পৃষ্ঠপোষকতা কৰিছিল। পদুম ফুল, কলহ, মন্দিৰৰ আগত গংগা-যমুনাৰ আদৰণি ভংগীমাত থকা মূৰ্তি, নৃত্যৰত নটৰাজ মূৰ্তি আদি গুপ্তযুগৰ বিশেষ মন কৰিবলগীয়া ভাস্কৰ্য। অজন্তা, ইলোৰা, ঔৰংগবাদ, ভূপালৰ উদয়গিৰি, বিহাৰৰ দেওঘৰ, ভিতৰ গাওঁ, বুদ্ধগয়া গুপ্তযুগৰ ভাস্কৰ্য-স্থাপত্যৰ শ্ৰেষ্ঠ নিদৰ্শন। গুৱাহাটীৰ কামাখ্যা, আমবাৰী, তেজপুৰৰ দ পৰ্বতীয়া, গোলাঘাটৰ নুমলিগড় আদিতো গুপ্তযুগৰ শিল্পকলাৰ প্ৰভাৱ সুস্পষ্ট। গুপ্তযুগৰ ভাস্কৰ্য-স্থাপত্যত শিল কাটি মন্দিৰ নিৰ্মাণৰ চমকপ্ৰদ কৌশল আৰু কলাৰ মাধুৰ্যই মানুহক আজিও মুগ্ধ কৰে।

ভাৰতীয় শিল্পকলাত অজন্তা ইলোৰাৰ স্থান অনন্য। যুগ যুগ ধৰি গভীৰ অৰণ্যৰ বুকুত পৰি থকা অজন্তাৰ গুহাবিলাক আৱিষ্কৃত হয় ১৮১৯ চনত। এই অজন্তা ইলোৰাৰ শিল্প-সম্ভাৰ কোনো এক নিৰ্দিষ্ট সময়ৰ নহয়। এচামৰ পিচত প্ৰচাম শিল্পী আহি এই গুহাবোৰ শোভিত কৰিছিল। তথাপি গুপ্তযুগতেই প্ৰধানতঃ এই শিল্পকলাৰ চৰম বিকাশ ঘটিছিল। অজন্তা ইলোৰাৰ শিল্পৰাজিত প্ৰধানতঃ বুদ্ধদেৱৰ জীৱন কাহিনীকে বিভিন্ন ধৰণেৰে ফুটাই তোলা হৈছিল। গোৱালিয়ৰৰ বাগতো অজন্তাৰ আহিৰ বৌদ্ধ শিল্পকলা পোৱা গৈছে।

## ৮.১.৭ দক্ষিণ ভাৰতৰ ভাস্কৰ্য-স্থাপত্য

ভাৰতীয় ভাস্কৰ্য-স্থাপত্যত দক্ষিণ ভাৰতৰ বৰঙণি অতি গুৰুত্বপূৰ্ণ। দক্ষিণ-ভাৰতৰ সাতবাহন, পল্লৱ, পাণ্ড্য, চোল, ৰাষ্ট্ৰকূট আদি ইতিহাস প্ৰসিদ্ধ ৰাজবংশবোৰে সংস্কৃতিৰ বিকাশৰ বাবে বিৰামহীন শ্ৰম কৰিছিল। তেওঁলোকৰ পৃষ্ঠপোষকতাত দক্ষিণ-ভাৰতত বহুতো ভাঙৰ ভাঙৰ মন্দিৰ, ৰথ মূৰ্তি আদি তৈয়াৰ হৈছিল। দক্ষিণ ভাৰতৰ আকাশচুম্বী প্ৰকাণ্ড মন্দিৰৰ শিখৰ সমূহ উত্তৰ-ভাৰতৰ মন্দিৰতকৈ ভিন্ন আকৃতিৰ। বিশালতা, সৰল ৰৈখিক আৰু কৌণিক গঠন দক্ষিণ-ভাৰতৰ ভাস্কৰ্যৰ বৈশিষ্ট্য। (উত্তৰ-ভাৰতৰ ভাস্কৰ্যত বৃত্ত আৰু বক্ৰৰেখা আকৃতিৰ প্ৰাদুৰ্ভাৱ।) দক্ষিণ ভাৰতৰ ভাসকৰ্য-স্থাপত্যতো ধৰ্মীয় উদাৰতা আৰু বিভিন্ন ভাৱধাৰাৰ সমন্বয় মন কৰিবলগীয়া। সাতবাহন ৰজাসকলে ব্ৰাহ্মণ আছিল যদিও বৌদ্ধ শিল্পকলাৰ প্ৰতি সমানে পৃষ্ঠপোষকতা আগবঢ়াইছিল। তেওঁলোকৰ সময়ত বহুতো বৌদ্ধ বিহাৰ আৰু চৈত্য নিৰ্মিত হৈছিল। পল্লৱ ৰজাসকলে পাহাৰ কাটি মহাভাৰতৰ কাহিনীৰ অৱলম্বনত ৰথ নিৰ্মাণ কৰিছিল। বিশেষকৈ মহাবালীপুৰম্, কাঞ্চীপুৰম্ আদিৰ ভাস্কৰ্য-স্থাপত্যৰ গঠন সৌষ্ঠৱ কলা-কৌশল অতি আকৰ্ষণীয়। চোলবংশীয় ৰজাসকলো ভাস্কৰ্য-স্থাপত্যৰ ভাঙৰ পৃষ্ঠপোষক আছিল। তাঞ্জোৰৰ বিশাল ৰাজ-ৰাজেশ্বৰ শিৱ মন্দিৰেই তাৰ প্ৰমাণ। চোল সকল ভাস্কৰ্য-স্থাপত্যত পল্লৱ সকলৰ অনুগামী আছিল। চালুক্য ৰজা-সকলৰ মঠ-মন্দিৰত উত্তৰ আৰু দক্ষিণ-ভাৰতৰ কলা-কৌশলৰ সমন্বয়ৰ সুন্দৰ প্ৰকাশ মনকৰিবলগীয়া। মুঠতে

দক্ষিণ-ভাৰতৰ ৰাজবংশসমূহৰ আমোলত যি ভাস্কৰ্য-স্থাপত্যৰ বিকাশ ঘটিছিল, সি কেৱল দক্ষিণ-ভাৰতৰে নহয়, সমগ্ৰ ভাৰতৰে অমৰ কীৰ্তি।

**আপোনাৰ প্ৰগতি পৰীক্ষা কৰা ২**

১। কোন যুগত ভাৰতীয় আৰু গ্ৰীক শিল্পধাৰাৰ সমন্বয়ত কি বিখ্যাত শিল্পকলা গঢ় লৈ উঠিছিল?

..........................................................................................................

..........................................................................................................

২। কুষাণ যুগৰ শিল্পীসকলে কোন গ্ৰীক দেৱতা আহিৰ্তে বুদ্ধমূৰ্তিবোৰ সাজিছিল?

..........................................................................................................

..........................................................................................................

৩। কোন সময় ছোৱাৰ ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ বিকাশ কালক "বৌদ্ধযুগ" বুলি আখ্যা দিব পাৰি?

..........................................................................................................

..........................................................................................................

৪। বৌদ্ধ স্থাপত্য শিল্পৰ উল্লখযোগ্য বৈশিষ্ট্য কি

..........................................................................................................

..........................................................................................................

৫। বৌদ্ধযুগৰ সময়ত অন্য কি ধৰ্মক কেন্দ্ৰ কৰি ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ সৃষ্টি হৈছিল?

..........................................................................................................

..........................................................................................................

৬। কোন শতিকাত কোন কলিঙ্গৰাজে জৈন মন্দিৰ, স্তম্ভ, গুহা আদি সাজিছিল?

..........................................................................................................

..........................................................................................................

৭। ভাৰত বুৰঞ্জীৰ কোন যুগক কিয় 'সোণালী যুগ' আখ্যা দিছে?

..........................................................................................................

..........................................................................................................

৮। গুপ্তযুগৰ বিশেষ মন কৰিবলগীয়া ভাস্কৰ্য কি?

..........................................................................................................

..........................................................................................................

৯। অসমৰ কোন কোন ঠাইত গুপ্তযুগৰ শিল্পকলাৰ নিদৰ্শন পোৱা যায়?

..........................................................................................................

..........................................................................................................

১০। অজন্তা ইলোৰাৰ গুহাবিলাক কোন চনত আৱিষ্কৃত?

..........................................................................................................

..........................................................................................................

১১। দক্ষিণ-ভাৰতৰ ভাস্কৰ্যৰ বৈশিষ্ট্য কি?

..........................................................................................................

..........................................................................................................

১২। ভাৰতীয় ভাস্কৰ্য-স্থাপত্যত দক্ষিণ ভাৰতৰ কোন কোন ৰাজবংশৰ উল্লেখ পোৱা যায়?

..........................................................................................................

..........................................................................................................

## ৮.১.৮ চুলতানী আমোলৰ ভাস্কৰ্য-স্থাপত্য

ইছলামৰ ভাৰত আগমন ভাৰত বুৰঞ্জীৰ এক যুগান্তকাৰী ঘটনা। ইয়াৰ ফলস্বৰূপে হিন্দু-মুছলমানৰ সংস্কৃতিৰ সমন্বয়ত ভাৰতীয় সভ্যতাই সমৃদ্ধি লাভ কৰিছিল। আৰবীয়, পাৰ্চী, তুৰ্কী প্ৰভাৱ পৰি ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই নতুন ৰূপ লৈছে। এই সময়ত সজা মছজিদ, প্ৰাসাদ (মহল), মিনাৰ, গম্বুজ, দুৰ্গ আদিৰ অবয়বটোহে ইছলামীয়, আত্মা আছিল সম্পুৰ্ণ ভাৰতীয়। নমুনা যদিও ইছলাম চুলতান সকলেই দিছিল, শিল্পীসকল আছিল হিন্দু। গতিকে হিন্দু আৰু ইছলাম দুই ৰীতিৰ মিশ্ৰণত এক নতুন শিল্প গঢ় লৈ উঠিছিল। মুছলমানৰ সমাধি বা মছজিদতো হিন্দু ভাস্কৰ্যৰ পদুম ফুল বা কলহ দেখা পোৱা গৈছিল। কুতুবুদ্দিন, ইলতুৎমিছ, আলাউদ্দিন খিলিজি, ফিৰোজ তুঘলঘ আদি বিখ্যাত চুলতানসকল ভাস্কৰ্য-স্থাপত্যৰ উল্লেখযোগ্য পৃষ্ঠপোষক। তেওঁলোকে ভাঙৰ মছজিদ, মিনাৰ, মহল, নগৰ আদি সজাইছিল। কুতুবমিনাৰ, কোৱাটউল-ইছলাম মছজিদ, নিজামুদ্দিন আউলিয়া মছজিদ, আলাই দৰৱাজাকোমহল, তুঘলকবাদ, ফিৰোজবাদ আদি নগৰ চুলতানী আমোলৰ বিখ্যাত ভাস্কৰ্য-স্থাপত্য। চুলতানসকলৰ এই ভাস্কৰ্য-স্থাপত্যৰ প্ৰাণকেন্দ্ৰ আছিল দিল্লী নগৰী; পিচত আজমীৰলৈকো বিস্তৃত হৈছিল।

চুলতানী আমোলত দাক্ষিণাত্যৰ বিজয়নগৰ আৰু উত্তৰ পশ্চিম ভাৰতৰ ৰাজস্থানত হিন্দু ভাস্কৰ্য-স্থাপত্যই বিশেষ অগ্ৰগতি লাভ কৰিছিল। ৰাজস্থাণত ৰাজপুত সকলে মুছলমানৰ আহিঁত বৃহৎ ৰাজপ্ৰাসাদ, স্তম্ভ, তোৰণ আদি সজাইছিল। মেৱাৰৰ ৰাণা ৰাণাকুম্ভৰ বিজয় স্তম্ভ এক বিখ্যাত ৰাজপুত স্থাপত্য। বিজয় নগৰৰ হিন্দু ৰজাসকলৰ স্থাপত্য শিল্প ইমান চমকপ্ৰদ আছিল যে বিদেশী পৰ্যটক সকলে ভূয়সী প্ৰশংসা কৰি গৈছিল।

এই সময়তে বংগৰ গৌড়, পাণ্ডুৱা; গুজৰাটৰ আহমেদাবাদ; দাক্ষিণাত্যৰ গুলবাগ, বিদাৰ; দিল্লীৰ ওচৰৰ জৌনপুৰ, কাশ্মীৰ আদিত কিছুমান অপূৰ্ব ভাস্কৰ্য-স্থাপত্য গঢ় লৈ উঠিছিল।

## ৮.১.৯ মোগল যুগৰ ভাস্কৰ্য-স্থাপত্য

মোগল যুগত ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই প্ৰভূত উন্নতি সাধিছিল। আওৰংগজেবৰ বাহিৰে অন্যান্য শ্ৰেষ্ঠ মোগল সম্ৰাট প্ৰায় প্ৰতিজনেই আছিল শিল্পকলাৰ মহান পৃষ্ঠপোষক। যুদ্ধৰ ব্যস্ততাৰ মাজতেই তেওঁলোকে বিভিন্ন মছজিদ, সমাধি, মহল, গম্বুজ আদি সাজি নিজৰ শিল্পী মনৰ পৰিচয় দিছিল। মোগল স্থাপত্য সমূহত পাৰ্চী, তুৰ্কী, হিন্দু আদিৰ স্পষ্ট সমন্বয় ঘটিছিল। আফগান বীৰ শ্বেৰছাহে যুদ্ধ আৰু প্ৰশাসনিক সংস্কাৰৰ মাজত ব্যস্ত থাকিও হিন্দু, বৌদ্ধ আৰু মুছলমান স্থাপত্য শিল্পৰ সংমিশ্ৰণেৰে বিখ্যাত কিলা-ই-কুনহাৰ মছজিদ সজাই নিজৰ সুৰুচিৰ পৰিচয় দিছিল। হুমায়ূনে পাৰস্য দেশৰ আহিঁত কেইবাটাও অট্টালিকা সজাইছিল। মহামতি আকবৰৰ ৰাজত্বকালত মোগল স্থাপতই পূৰ্ণতা পাইছিল বুলি কব পাৰি। এই সময়ৰ হুমায়ুন সমাধি, ফতেপুৰ চিক্ৰিৰ বিভিন্ন স্থাপত্য, আগ্ৰা আৰু লাহোৰৰ দুৰ্গ আদি মোগল ভাস্কৰ্য-স্থাপত্যৰ সুন্দৰ নিদৰ্শন। মোগল ভাস্কৰ্য-স্থাপত্যৰ চৰম উন্নতি হৈছিল মহান স্থাপত্য প্ৰেমী ছাহজাহানৰ দিনত। ছাহজাহানে মনোমোহা প্ৰাসাদ, অট্টালিকা, দুৰ্গ, সমাধি, মছজিদ আদি সাজি যাউতযুগীয়া খ্যাতি ৰাখি গৈছে। তেওঁ সজা দিৱান-ই-খাচ, দিৱান-ই-আম, জুমা মছজিদ, মতি মছজিদ, আগ্ৰাৰ তাজমহল, ময়ূৰ সিংহাসন আদি জগত বিখ্যাত। মমতাজৰ স্মৃতিত সজা তাজমহল মোগল স্থাপত্যৰ উৎকৃষ্টতাৰ চূড়ান্ত নিদৰ্শন। বুৰঞ্জীবিদ্ ডঃ ভি স্মিথৰ মতে তাজমহলত পাৰ্চী, হিন্দুৰ লগতে ইউৰোপীয় স্থাপত্য ভাস্কৰ্য্য সংমিশ্ৰণ ঘটিছে। অৱশ্যে, ভাৰতীয় পণ্ডিতে ইউৰোপীয় স্থাপত্যৰ আহিঁ তাজমহলত থকাৰ কথা মানি লব নোখোজে।

মোগলসকলৰ সময়তে শিখসকলে এটা ভিন্ন ধৰ্মীয় সম্প্ৰদায় হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। শিখ ধৰ্মৰ গুৰুদ্বাৰসমূহ, বিশেষকৈ অমৃতচৰৰ বিখ্যাত "স্বৰ্ণমন্দিৰ" ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ আন এক সুন্দৰ নিদৰ্শন। এইবোৰত হিন্দু, ইছলাম আৰু ইউৰোপীয় ৰীতিৰ মিশ্ৰণ ঘটিছে।

**বংগৰ পাল-সেন আৰু অসমৰ আহোম যুগৰ ভাস্কৰ্য-স্থাপত্য ঃ** বংগৰ পালবংশীয় ৰজাসকলৰ দিনত ভাস্কৰ্য-স্থাপত্যৰ উন্নতি দেখা গৈছিল। বৌদ্ধ ধৰ্মাৱলম্বী পালসকলে প্ৰাচীন নালন্দা বিশ্ববিদ্যালয় সংস্কাৰ কৰাৰ উপৰিও কেইবাটাও বৌদ্ধ-বিহাৰ আৰু মঠ সজাইছিল। বিক্ৰমশীলা বিশ্ববিদ্যালয়ো এই সময়তে সজোৱা। সেনসকল ব্ৰাহ্মণ্যধৰ্মৰ আছিল বাবে গৌড় আদিত হিন্দু-মন্দিৰ সজাইছিল। অসমত আহোম স্বৰ্গদেউসকলেও হিন্দুধৰ্মত অনুৰক্ত হৈ বহুতো মন্দিৰ সজাইছিল। ইয়াৰ ভিতৰত শিৱসাগৰৰ শিৱদল, জয়দ'ল, আৰু দেৰগাৱঁৰ নেঘেৰিটিং শিৱদ'ল বিশেষ উল্লেখযোগ্য। ৰংপুৰৰ ৰংঘৰ, তলাতলঘৰ, গড়গাৱঁৰ কাৰেংঘৰ আহোম যুগৰ বিখ্যাত ভাস্কৰ্য-স্থাপত্য। আহোম ভাস্কৰ্য-স্থাপত্যত দক্ষিণ-পুৱ এচিয়া আৰু ভাৰতীয় ভাস্কৰ্যৰ অপূৰ্ব মিলন ঘটিছে।

**সামৰণি ঃ** ভাৰতীয় ভাস্কৰ্য-স্থাপত্য মূখ্যতঃ ধৰ্মীয় আধাৰৰ ওপৰত প্ৰতিষ্ঠিত। ব্ৰাহ্মণ্য, বৌদ্ধ, জৈন, ইছলাম আদি বিভিন্ন ধৰ্মীয় ভাব ইয়াত সংমিশ্ৰিত হৈছে। পূজা, প্ৰাৰ্থনা, না..ভ, উপাসনা আদিৰ বাবেই বিভিন্ন মন্দিৰ, মছজিদ, বিহাৰ আদি নিৰ্মাণ কৰা হৈছিল। হিন্দু ধৰ্মৰ অনেকখিনি প্ৰভাৱ মন্দিৰবোৰৰ গাত বিৰাজমান। শৈৱধৰ্মৰ প্ৰভাৱত বহুতো মন্দিৰ স্থাপিত হৈছিল। উড়িষ্যাৰ লিংগৰাজ মন্দিৰৰ ভাস্কৰ্য চকুত লগা। অসমৰ অধিকাংশ মন্দিৰেই শিৱমন্দিৰ। তান্ত্ৰিক ধৰ্মৰ প্ৰভাৱো মন্দিৰবোৰত পৰিছিল। দশম

শতিকাৰ পৰা চতুৰ্দশ শতিকালৈকে ভাৰতবৰ্ষত প্ৰতিষ্ঠিত কিছুমান মন্দিৰৰ ভাস্কৰ্যত নৰ-নাৰীৰ মিলনৰ দৃশ্যৰ প্ৰাধান্য দেখা যায়। খাজুৰাহো, কোনাৰ্ক, কাঞ্চীপুৰম, বেলুৰ আদিৰ মঠ-মন্দিৰত এনে দৃশ্যৰ

প্ৰাধান্য বেচি। গভীৰভাৱে তান্ত্ৰিক প্ৰভাৱ পৰাৰ কাৰণেই এনে দৃশ্য মন্দিৰ সমূহত খোদিত হৈছিল বুলি ভৱা হৈছে।

ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য এয়ে যে ভাৰতৰ বাহিৰৰ বিভিন্ন অঞ্চলক এইবোৰে প্ৰভাৱান্বিত কৰিছিল। ভাৰতীয় শিল্পকলাৰ আহিঁত আফগানিস্থান, মধ্যএচিয়া, চীন, ইন্দোচীন, যবদ্বীপ, সুমাত্ৰা, মালয় প্ৰভৃতি দেশত নানা ভাস্কৰ্য-স্থাপত্য নিৰ্মিত হৈছিল। মধ্য-এচিয়াৰ খাচগড়, খোটান, য়াৰখণ্ড, কুচি, তুৰফান আদি অঞ্চলত আৱিস্কৃত ভাস্কৰ্য-স্থাপত্যত ভাৰতীয় শিল্পৰীতিৰ অনুকৰণ সুস্পষ্ট। দক্ষিণ-পূৱ এচিয়াৰ বিখ্যাত আংকোৰভাট, বৰবুদুৰ লৰজংৰং আদি মন্দিৰৰ ভাস্কৰ্য-স্থাপত্য সম্পূৰ্ণ ভাৰতীয় আহিঁৰ।

**আপোনাৰ প্ৰগতি পৰীক্ষা কৰক ৩**

১। ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ কোন কোন চুলতানে পৃষ্ঠপোষকতা কৰিছিল?

.........................................................................................................

.........................................................................................................

২। চুলতানী সকলৰ ভাস্কৰ্য-স্থাপত্যৰ প্ৰাণকেন্দ্ৰ কি আছিল?

.........................................................................................................

.........................................................................................................

৩। চুলতানী আমোলত দাক্ষিণাত্য আৰু উত্তৰ-পশ্চিম ভাৰতৰ কোন কোন ঠাইত হিন্দু ভাস্কৰ্য-স্থাপত্যই বিকাশ লাভ কৰিছিল?

.........................................................................................................

.........................................................................................................

৪। আফগান বীৰ শ্বেৰছাহে হিন্দু, বৌদ্ধ আৰু মুছলমান স্থাপত্য শিল্পৰ সংমিশ্ৰণেৰে সজা বিখ্যাত মছজিদটো কি?

.........................................................................................................

.........................................................................................................

৫। মোগল ভাস্কৰ্য স্থাপত্যৰ নিদৰ্শন কি কি?

.........................................................................................................

.........................................................................................................

৬। বংগৰ কোন বংশীয় ৰজাসকলৰ দিনত প্ৰাচীন কি বিশ্ববিদ্যালয় সংস্কাৰ কৰিছিল?

.........................................................................................................

.........................................................................................................

৭। অসমৰ আহোম যুগৰ ভাস্কয-স্থাপত্যৰ নিদৰ্শন কি?

.........................................................................................................

.........................................................................................................

৮। আহোম ভাস্কৰ্য আৰু স্থাপত্যৰ বিশেষত্ব কি?

.........................................................................................................

.........................................................................................................

৯। ভাৰতীয় ভাস্কৰ্য আৰু স্থাপত্যৰ কি উল্লেখযোগ্য বৈশিষ্ট্যৰ কথা সামৰণিত উল্লেখ কৰা হৈছে?

.........................................................................................................

.........................................................................................................

১০। তাজমহলৰ ভাস্কৰ্য-স্থাপত্য সম্পৰ্কে ডঃ স্মিথৰ মত কি?

.........................................................................................................

.........................................................................................................

১১। স্বৰ্ণমন্দিৰ ভাস্কৰ্য-স্থাপত্যত কোন কোন ৰীতি সংমিশ্রন ঘটিছে?

.......................................................................................................

.......................................................................................................

## ৮.২ মূল পাঠৰ সাৰাংশ

ভাৰতীয় ভাস্কৰ্য-স্থাপত্য ভাৰতীয় সভ্যতাৰ আধাৰ স্বৰূপ। ভাৰতীয় সভ্যতা যিদৰে ভাৰতৰ ভিতৰৰ আৰু বাহিৰৰ বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠিছে, ভাৰতীয় ভাস্কৰ্য-স্থাপত্যও তেনেদৰে বিভিন্ন ধাৰাৰ সমন্বয় আৰু সংস্পৰ্শতে সৃষ্টি হৈছে। আৰ্য, অনা-আৰ্য, গ্ৰীক, ৰোমান, মোগল সকলোৰে অৱদানেৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্য ঠন ধৰি উঠিছে। ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিকতাই ভাৰতীয় ভাস্কৰ্য-স্থাপত্যক সঞ্জীৱিত কৰিছে। প্ৰাগৈতিহাসিক জন বিশ্বাসৰ পৰা আৰম্ভ কৰি বৈদিক, ব্ৰাহ্মণ্য, জৈন, বৌদ্ধ, ইছলাম আদি বিভিন্ন ধৰ্মীয় ভাৱধাৰাৰে এইবোৰ পৰিপুষ্ট। বিভিন্ন বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনা, উপাসনা, নামাজ আদিৰ বাবে মন্দিৰ সমূহ, বিহাৰ, মছজিদ আদি নিৰ্মাণ কৰা হৈছিল; তদুপৰি ৰাজপ্ৰাসাদ, তোৰণ, স্তম্ভ, প্ৰাচীৰ আদিও নিৰ্মাণ কৰা হৈছিল। এইবোৰত বিভিন্ন ধৰ্মীয় কাহিনী, দেবদাসীৰ নৃত্য-ভংগীমা, জনসাধাৰণৰ জীৱন-কাহিনী, পুৰুষ-নাৰীৰ মিলন, বিভিন্ন জীৱ-জন্তু আদিৰ চিত্ৰ খোদিত কৰা হৈছিল। চালে চকু জুৰ পৰা এইবোৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যক এক উচ্চ মহিমামণ্ডিত আসনত প্ৰতিষ্ঠিত কৰিছে।

সিন্ধু নদীৰ উপত্যকাত মহেঞ্জোদাৰো-হাৰাপ্পাত পোৱা ইটাৰে নিৰ্মিত পকীঘৰ, স্নানাগাৰ, নাদ, জীৱ-জন্তুৰ মূৰ্তি আদি ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন। খৃঃ পূঃ ষষ্ঠ শতিকাত মগধ সাম্ৰাজ্যৰ উত্থানৰ পিচৰ পৰা ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ গৌৰৱময় যুগ আহি পৰে। মহাৰাজ অশোকে নিৰ্মাণ কৰা স্তম্ভ, স্তুপ, গুহা, শিলত কটা মূৰ্তি খৃষ্ট পূৰ্ব শতিকাৰ উল্লেখযোগ্য ভাস্কৰ্য-স্থাপত্য। কুষাণ যুগত ভাৰতীয় আৰু গ্ৰীক শিল্পধাৰাৰ সমন্বয়ত বিখ্যাত "গান্ধাৰ শিল্প-কলা" গঢ় লৈ উঠিছিল। এই সময়ত ভাস্কৰ্য-স্থাপত্যত বৌদ্ধ প্ৰভাৱ বেচিকৈ পৰিছিল। বুদ্ধদেৱৰ জীৱনৰ ঘটনাৰ আলমত ভাস্কৰ্যসমূহ গঢ়া হৈছিল। অজন্তা-ইলোৰাৰ শিল্পৰাজিত প্ৰধানতঃ বুদ্ধদেৱৰ জীৱন কাহিনীকে বিভিন্ন ধৰণেৰে ফুটাই তোলা হৈছে। এই সময়তে জৈন ধৰ্মৰ প্ৰভাৱেৰেও বিবিধ ভাস্কৰ্য বিকাশ হৈছিল। গুপ্তযুগত বৌদ্ধ, জৈন ধৰ্মৰ উপৰিও ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱত শিলকাটি মন্দিৰ আৰু বিবিধ ভংগীমাৰ মূৰ্তি নিৰ্মাণ কৰা পৰম্পৰাই গা কৰি উঠিছিল।

উত্তৰ ভাৰতৰ দৰে দক্ষিণ-ভাৰততো সাতবাহন, পল্লৱ, পাণ্ড্য, চোল, ৰাষ্ট্ৰকূট আদি ৰাজবংশ সমূহৰ পৃষ্ঠপোষকতাত বিভিন্ন মন্দিৰ, ৰথ, মূৰ্তি আদি নিৰ্মিত হৈছিল। বিশালতা, সৰল ৰৈখিক আৰু কৌণিক গঠন দক্ষিণ-ভাৰতৰ ভাস্কৰ্যৰ বৈশিষ্ট্য। অৱশ্যে উত্তৰ-ভাৰতৰ কলা-কৌশলৰ সমন্বয়ো দক্ষিণ-ভাৰতৰ ভাস্কৰ্যত হৈছিল।

ভাৰতলৈ ইছলামসকলৰ আগমনৰ পিচৰ পৰা আৰবীয়, পাৰ্চী, তুৰ্কীৰ প্ৰভাৱ পৰি ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই নতুন গঢ় লয় আৰু হিন্দু আৰু ইছলাম দুই ৰীতিৰ মিশ্ৰণত এক নতুন শিল্পধাৰাৰ বিকাশ হবলৈ ধৰে। কুতুবুদ্দিন, ইলতুৎমিছ, আলাউদ্দিন, ফিৰোজ তুঘলঘ আদি বিখ্যাত চুলতান সকল ভাস্কৰ্য-স্থাপত্যৰ উল্লেখযোগ্য পৃষ্ঠপোষক আছিল আৰু তেওঁলোকে ডাঙৰ ডাঙৰ মছজিদ, মিনাৰ, মহল, নগৰ আদি সাজিছিল। এইসকলোবোৰ আছিল বিবিধ কাৰুকাৰ্য খচিত।

মোগল যুগতো ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই প্ৰভূত উন্নতি কৰিছিল। মোগল স্থাপত্য সমূহতো পাৰ্চী, তুৰ্কী, হিন্দু আদিৰ সমন্বয় ঘটিছিল। মোগল সম্ৰাটসকলে বিবিধ কাৰুকাৰ্যৰে সমাধি, মছজিদ, মহল, দুৰ্গ, গম্বুজ আদি নিৰ্মাণ কৰিছিল। আকবৰৰ ৰাজত্বকাল আৰু ছাহ জাহানৰ ৰাজত্ব কাল মোগল স্থাপত্যৰ বিকাশৰ স্বৰ্ণময় যুগ। এই সময়ৰ হুমায়ুনৰ সমাধি, ফতেপুৰ চিক্ৰি, আগ্ৰা আৰু লাহোৰৰ দুৰ্গ, জুমা মছজিদ, দিৱান্-ই-খাচ্, দিৱান্-ই-আম্, ময়ূৰ সিংহাসন, তাজমহল মোগল ভাস্কৰ্য-স্থাপত্যৰ সুন্দৰ নিদৰ্শন।

বংগৰ পাল আৰু সেন বংশৰ ৰজা সকলৰ আমোলতো ভাস্কৰ্য-স্থাপত্যৰ যথেষ্ট উন্নতি হৈছিল। অসমৰ আহোম স্বৰ্গদেউসকলেও বহুতো মন্দিৰ সজোৱাৰ উপৰিও ৰংঘৰ, কাৰেংঘৰ, আদি নিৰ্মাণ কৰিছিল। ৰংপুৰৰ ৰংঘৰ, তলাতলঘৰ, গড়গাঁৱৰ কাৰেংঘৰ আহোম যুগৰ বিখ্যাত ভাস্কৰ্য স্থাপত্য। আহোম ভাস্কৰ্য-স্থাপত্যত দক্ষিণ-পূৱ এচিয়া আৰু ভাৰতীয়-ভাস্কৰ্যৰ অপূৰ্ব মিলন ঘটিছে।

ভাৰতবৰ্ষই যিদৰে লব জানে, সেইদৰে দিবও জানে। গ্ৰীক, ৰোমান, পাৰ্চী, তুৰ্কী আদি বিভিন্ন শিল্পৰীতিৰ সমন্বয়ৰ যিদৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যসমূহ গঢ় লৈ উঠিছিল, সেইদৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই আফগানিস্থান কান্দাহাৰ, চীন, ইন্দোচীন, যাভা, বৰ্ণিও আদি দেশৰ ভাস্কৰ্য স্থাপত্যকো গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল।

আমাৰ ঐতিহ্যমণ্ডিত ভাস্কৰ্য-স্থাপত্যই এফালে যিদৰে গৌৰৱময় অতীতক সোঁৱৰাই দিয়ে আনফালে তেনেদৰে ভৱিষ্যতৰ ঐক্যবদ্ধ চৰিত্ৰ গঠনৰ প্ৰেৰণাও দিয়ে। কাৰণ বিভিন্ন জাতি-উপজাতিৰ উপাদানেৰে সমৃদ্ধ হোৱা এই ভাস্কৰ্য-স্থাপত্যৰ সমন্বয়ৰ মধুৰ স্মৃতিয়ে জাতীয় ঐক্য শক্তিশালী কৰে। যি সমন্বয়ৰ আদৰ্শ ভাৰতীয় সভ্যতাৰ বৈশিষ্ট্য, সেই সমন্বয়ৰ আদৰ্শই ভাৰতীয় ভাস্কৰ্য স্থাপত্যৰো মূল বৈশিষ্ট্য।

## ৮.৩ অনুশীলনী

### ৮.৩.১ বোধজ্ঞান অনুশীলনী

১। তলৰ মন্তব্যবোৰ পঢ়ি ওপৰৰ পাঠৰ ভিত্তিত সেইবোৰ শুদ্ধ নে অশুদ্ধ চিহ্নিত কৰক। শুদ্ধ বুলি ভবাবোৰত শুদ্ধ বুলি লিখা ঠাইত √ চিন দিয়ক আৰু অশুদ্ধ বুলি ভবা বোৰত অশুদ্ধ বুলি লিখা ঠাইত √ চিন দিয়ক।

ক) সিন্ধু উপত্যকাৰ ধ্বংসাৱশেষে বৈদিক যুগৰ ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম নিদৰ্শন দাঙি ধৰে। শুদ্ধ অশুদ্ধ

খ) ঋক্-বৈদিক যুগত আৰ্যসকল মূৰ্তি উপাসক আছিল। শুদ্ধ অশুদ্ধ

গ) চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজপ্ৰাসাদ কাঠেৰে নিৰ্মিত আছিল। শুদ্ধ অশুদ্ধ

ঘ) ধৌলিৰ খোদিত হাতীৰ বিশাল মূৰ্তি গুপ্তযুগৰ উল্লেখযোগ্য ভাস্কৰ্য। শুদ্ধ অশুদ্ধ

ঙ) "গান্ধাৰ শিল্পকলা" গঢ় লৈ উঠিছিল কুষাণ যুগত। শুদ্ধ অশুদ্ধ

চ) অজন্তা-ইলোৰাৰ শিল্পসম্ভাৰ এক নিৰ্দ্দিষ্ট সময়ত খোদিত হৈছিল। শুদ্ধ অশুদ্ধ

ছ) উত্তৰ-ভাৰতৰ ভাস্কৰ্য সৰল ৰৈখিক আৰু কৌণিক গঠনৰ। শুদ্ধ অশুদ্ধ

জ) মোগল ভাস্কৰ্য-স্থাপত্যৰ চৰম উন্নতি হৈছিল মোগল সম্ৰাট আওৰংজেবৰ দিনত। শুদ্ধ অশুদ্ধ

ঝ) আহোম ভাস্কৰ্য-স্থাপত্যত পাৰ্চী, তুৰ্কী আৰু হিন্দু শিল্প ৰীতিৰ অপূৰ্ব মিলন ঘটিছে। শুদ্ধ অশুদ্ধ

ঞ) ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিকতাই ভাৰতীয় ভাস্কৰ্য-স্থাপত্যক সঞ্জীৱিত কৰিছে। শুদ্ধ অশুদ্ধ

২। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ একেটা বাক্যতে দিয়ক।

ক) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই কি প্ৰতিফলিত কৰিছে?

উত্তৰঃ ..........................................................................................

খ) ভাৰতীয় ভাস্কৰ্য-স্থাপত্য মূলতঃ কি বুলি কোৱা হৈছে?

উত্তৰঃ ..........................................................................................

গ) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই কি ভাৱ সুদৃঢ় কৰে?

উত্তৰঃ ..........................................................................................

ঘ) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন ক'ত পোৱা যায়?

উত্তৰঃ ..........................................................................................

ঙ) মৌৰ্য যুগত কোন ৰজাৰ দ্বাৰা ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ বিকাশ হৈছিল?

উত্তৰঃ ..........................................................................................

চ) "গান্ধাৰ শিল্পকলা" কোন যুগত গঢ় লৈ উঠিছিল?

উত্তৰঃ ..........................................................................................

ছ) অজন্তাৰ গুহাবিলাক কোন চনত আবিষ্কাৰ হৈছিল?

উত্তৰঃ ..........................................................................................

জ) দক্ষিণ ভাৰতৰ ভাস্কৰ্য-স্থাপত্যৰ বিকাশত কোন কোন বংশৰ ৰজাসকলে বৰঙনি আগবঢ়াইছিল?

উত্তৰঃ ..........................................................................................

ঝ) মোগল যুগত ভাস্কৰ্য-স্থাপত্যৰ চৰম উন্নতি কোন সম্ৰাটৰ দিনত হৈছিল?

উত্তৰঃ ..........................................................................................

ঞ) নৰ-নাৰীৰ মিলনৰ দৃশ্যৰ প্ৰাধান্য কোন কোন মন্দিৰত আছে?

উত্তৰঃ ..........................................................................................

৩। ওপৰৰ পাঠৰ ভিত্তিত তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে তিনিটাকৈ বিকল্প আছে। শুদ্ধটো বাচি লৈ √ চিন দিয়ক।

ক) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন পোৱা যায় ঃ
১। বৈদিক যুগৰ ভাস্কৰ্য-স্থাপত্যত
২। মৌৰ্য যুগৰ স্থাপত্যত
৩। সিন্ধু উপত্যকাৰ সভ্যতাৰ ভাস্কৰ্য-স্থাপত্যত।

খ) "গান্ধাৰ শিল্পকলা" গঢ় লৈ উঠিছিল ঃ
১। কুষাণ যুগত
২। মৌৰ্য যুগত
৩। গুপ্ত যুগত।

গ) গুপ্ত ৰজাসকল বেছিভাগেই আছিল ঃ
১। বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষক
২। জৈন ধৰ্মৰ পৃষ্ঠপোষক
৩। ব্ৰাহ্মণ্য ধৰ্ম পৃষ্ঠপোষক।

ঘ) মোগল যুগত ভাস্কৰ্য-স্থাপত্যৰ চৰম উন্নতি হৈছিল ঃ
১। আকবৰৰ দিনত
২। আওৰংজেবৰ দিনত
৩। ছাহজাহানৰ দিনত।

ঙ) প্ৰাচীন নালন্দা বিশ্ববিদ্যালয় সংস্কাৰ কৰিছিল ঃ
১। আহোম ৰজাসকলে
২। পাল বংশৰ ৰজাসকলে
৩। সেন বংশৰ ৰজাসকলে।

চ) বৌদ্ধ শিল্পকলাৰ আকৰ্ষণীয় বৈশিষ্ট্য আছিল ঃ
১। প্ৰস্তৰ মূৰ্তি নিৰ্মাণ কৰা
২। স্তম্ভ নিৰ্মাণ কৰা
৩। শিলৰ পাহাৰ কাটি গুহা নিৰ্মাণ কৰা।

**বৈয়াকৰণিক বিশ্লেষণ**

এই পাঠত বাক্যৰ প্ৰকাৰ আৰু একোটা বাক্যক কেনেদৰে বিভিন্ন বাক্যলৈ পৰিবৰ্তন কৰিব পাৰি তাৰে আভাস দিবলৈ বিচৰা হৈছে।

বাক্যৰ মাজেদিয়েই কোনো এটা মনোভাৱ ব্যক্ত কৰা হয়। একোটা ভাৱ বিভিন্ন ধৰণেৰে ব্যক্ত কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, ওপৰৰ পাঠৰ পৰা দিয়া তলৰ বাক্যটো লক্ষ্য কৰকঃ

১) "ধৰ্ম প্ৰাণ ভাৰতীয়ৰ ভাস্কৰ্য-স্থাপত্য মূলতঃ ধৰ্মমূলক।" এই বাক্যটি আন দুই প্ৰকাৰেও কব পাৰি।
২) "ধৰ্ম প্ৰাণ ভাৰতীয়ৰ যি ভাস্কৰ্য-স্থাপত্য, সি মূলতঃ ধৰ্মমূলক।"
৩) "ভাৰতীয় মানুহ ধৰ্মপ্ৰাণ আৰু সেয়েহে তেওঁলোকৰ যি ভাস্কৰ্য-স্থাপত্য, সেইবোৰো মূলতঃ ধৰ্মমূলক।

বাক্যৰ এনে গঠন প্ৰণালীৰ ওপৰত ভিত্তি কৰি বাক্যক সৰল, জটিল আৰু যৌগিক এনেদৰে তিনি শ্ৰেণীত ভাগ কৰিব পাৰি। প্ৰথমতে দিয়া বাক্যটি সৰল বাক্য; তাৰ তলত দিয়া বাক্য দুটি ক্ৰমে জটিল আৰু যৌগিক বাক্য।

এটা কৰ্তা আৰু এটা সমাপিকা ক্ৰিয়াৰ সহায়ত বক্তাৰ মনোভাৱ যেতিয়া সাধাৰণভাৱে প্ৰকাশ কৰা হয়, তাকে সৰল বাক্য বুলি কব পাৰি। অৱশ্যে কৰ্ত্তাক সম্বন্ধ পদ, বিশেষণ আদিৰ দ্বাৰা আৰু ক্ৰিয়াটোকো তেনেদৰে সম্বন্ধ পদ, ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহৃত শব্দৰ দ্বাৰা বহলাব পাৰি।

মূলবাক্যৰ লগত প্ৰাসঙ্গিকভাৱে অপ্ৰধান বাক্য সংযোজন কৰি বা সহায়ক বাক্য ব্যৱহাৰ কৰি ভাৱ প্ৰকাশ কৰিলে জটিল বাক্য গঠন হয়। এনে বাক্য গঠনত কোনো কোনো ক্ষেত্ৰত সংযোগক অব্যয়ো ব্যৱহাৰ কৰা হয়। ওপৰৰ (২) বাক্যটোৰ প্ৰধান বাক্য 'সি মূলতঃ ধৰ্মমূলক'; ইয়াৰ লগত কৰ্তা হিচাপে ব্যৱহাৰ হৈছে ধৰ্মপ্ৰাণ মানুহৰ যি ভাস্কৰ্য-স্থাপত্য; ই এটা অপ্ৰধান বাক্য বা খণ্ডবাক্য, ই এটা বাক্যৰ অৰ্থ কৰিব নোৱাৰে; এই গোটেই খণ্ড বাক্যটোৰ সলনি এটা বিশেষ্য শব্দ যেনে আখ্যানটো ব্যৱহাৰ কৰিব পাৰি। অৰ্থাৎ এই গোটেই খণ্ড বাক্যটোৱে মূলতঃ ধৰ্মমূলক (২য়) বাক্যৰ কৰ্তা স্বৰূপ।

দুটা বা তাতকৈ বেছি সৰল বাক্য লগ লগাই বা জটিল বাক্য লগ লগাই যৌগিক বাক্য গঠন কৰা হয়। ওপৰৰ (৩) বাক্যটোলৈ মন কৰিলে দেখা যাব যে 'আৰু' অব্যয় শব্দৰ যোগত এটি সৰল বাক্য, আন এটি জটিল বাক্য লগ লগাই এটি যৌগিক বাক্য গঠন কৰা হৈছে আৰু ফলত বাক্যটো দীৰ্ঘকায় হৈছে। মাতৃভাষাত আমি এনে যৌগিক বাক্য অনায়াসে গঠন কৰি প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰোঁ।

তলত আৰু এটা উদাহৰণ দিয়া হ'ল। একেটা সৰল বাক্যৰ পৰাই এটা জটিল আৰু এটা যৌগিক বাক্য গঠন কৰা হৈছে। একেদৰে বিপৰীত প্ৰক্ৰিয়াৰে যৌগিক বা জটিল বাক্যৰ পৰাও সৰল বাক্য গঠন কৰিব পাৰি।

"আমাৰ ঐতিহ্যমণ্ডিত ভাস্কৰ্য-স্থাপত্যই গৌৰৱময় অতীতক সোঁৱৰাই দিয়ে।" (সৰল বাক্য)
"আমাৰ যি ঐতিহ্যমণ্ডিত ভাস্কৰ্য-স্থাপত্য আছে, সিয়ে গৌৰৱময় অতীতক সোঁৱৰাই দিয়ে।" (জটিল বাক্য)
"আমাৰ ভাস্কৰ্য-স্থাপত্য ঐতিহ্যমণ্ডিত আৰু সেইবোৰে গৌৰৱময় অতীতক সোঁৱৰাই দিয়ে।" (যৌগিক বাক্য)

## ৮.৩.২ বৈয়াকৰণিক অনুশীলনী

প্ৰশ্ন ১। এতিয়া ওপৰৰ পাঠৰ পৰা কেইটমান বাক্য দিয়া হ'ল; সেইকেইটা জটিল বাক্যলৈ ৰূপান্তৰিত কৰক।

ক) ভাৰতীয় ভাস্কৰ্য-স্থাপত্য এক সমন্বয়ৰ প্ৰতীক।
খ) ভাৰতৰ নটৰাজ মূৰ্তি বিশ্বৰ আপুৰুগীয়া ভাস্কৰ্য।
গ) এটা জাতিৰ জাতীয় চৰিত্ৰ ভাস্কৰ্য-স্থাপত্য সূক্ষ্মভাৱে প্ৰকাশ পায়।

..........................................................................................................

..........................................................................................................

..........................................................................................................

প্ৰশ্ন ২। তলৰ বাক্যকেইটা কোন প্ৰকাৰৰ বাক্য?

ক) ভাৰতবৰ্ষৰ প্ৰাচীন বৈদিক যুগৰ সভ্যতা যে সকলো ফালৰ পৰা উন্নত আছিল সেয়া ঐতিহাসিক সত্য।

..........................................................................................................

খ) ঋক বৈদিক যুগত আৰ্যসকল প্ৰকৃতিৰ উপাসক হোৱা বাবে আৰু মূৰ্তি উপাসক নাছিল বাবে হয়তো দেৱ দেৱীৰ মূৰ্তি সেই সময়ত বেচি খোদিত কৰা হোৱা নাছিল।

..........................................................................................................

গ) অজন্তা-ইলোৰাৰ শিল্পৰাজিত প্ৰধানতঃ বুদ্ধদেৱৰ জীৱন কাহিনীকে বিভিন্ন ধৰণেৰে ফুটুৱাই তোলা হৈছিল।

..........................................................................................................

ঘ) বিশালতা, সৰল ৰৈখিক আৰু কৌণিক গঠন দক্ষিণ-ভাৰতৰ ভাস্কৰ্যৰ যিদৰে বৈশিষ্ট্য তেনেদৰে বৃত্ত আৰু বক্ৰৰেখাৰ আকৃতি উত্তৰ ভাৰতৰ ভাস্কৰ্যৰ বৈশিষ্ট্য।

..........................................................................................................

প্ৰশ্ন ৩। তলৰ বাক্য কেইটা সৰল বাক্যলৈ পৰিৱৰ্তন কৰক।

ক) যুগ যুগ ধৰি বাহিৰৰ পৰা বিভিন্ন মানুহৰ সোঁত ভাৰতলৈ বৈছে আৰু সকলো মানুহৰ সমন্বয়তে ভাৰতীয় সভ্যতা গঢ় লৈ উঠিছে।

..........................................................................................................

..........................................................................................................

..........................................................................................................

খ) পাৰস্য, গ্ৰীক, ৰোমান, পাৰ্চী, তুৰ্কী আদি বিভিন্ন ভাৱা ধাৰাৰ সমন্বয়ত যিদৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যসমূহ গঢ় লৈ উঠিছে, সেইদৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই আফগানিস্থান, কান্দাহাৰ, চীন, ইন্দোচীন, যাভা, বৰ্ণিও আদি দেশৰ স্থাপত্য কলাক গভীৰভাৱে প্ৰভাৱন্বিত কৰিছিল।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

গ) বৈদিক যুগতো যে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ যথেষ্ট উন্নতি হৈছিল তাত কোনো সন্দেহ নাই।

.......................................................................................................

.......................................................................................................

## ৮.৩.৩ পঠন অনুশীলনী

১। এই পাঠত পোৱা বুৰঞ্জীমূলক শব্দবোৰ চিহ্নিত কৰক। যিবোৰ শব্দ একাধিকবাৰ ব্যৱহাৰ হৈছে সেইবোৰৰ তলত ৰঙা চিয়াঁহীৰে দাগ দিয়ক। মুঠ কিমান হ'ল লিখক।

.......................................................................................................

.......................................................................................................

২। এই পাঠত থকা ক্রিয়াহীন বাক্যবোৰৰ তলত দাগ দিয়ক আৰু মুঠতে কিমানটা তেনে বাক্য পালে হিচাপ কৰক।

.......................................................................................................

.......................................................................................................

৩। 'গঢ়া হৈছিল', 'পোৱা হয়' আদি ধৰণৰ কৰ্মবাচ্যৰ ক্রিয়াপদ থকা বাক্যবোৰৰ তলত ৰঙা চিয়াঁহীৰে দাগ দিয়ক আৰু কিমানটো তেনে বাক্য পালে হিচাপ কৰক।

.......................................................................................................

.......................................................................................................

৪। তলৰ কথাখিনি পঢ়ক আৰু শেষত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক।

.......................................................................................................

.......................................................................................................

"ভাৰতীয় ভাস্কৰ্য-স্থাপত্যত মহাৰাজ অশোকৰ বৰঙনি অতুলনীয়। এই গৰাকী ৰজাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি বুদ্ধদেৱৰ প্ৰেম, শান্তি আৰু অহিংসাৰ বাণী প্ৰচাৰৰ বাবে বহুতো বিহাৰ, স্তম্ভ আদি স্থাপন কৰিছিল। তেওঁ সজোৱা স্তম্ভ, স্তম্ভশীৰ্ষৰ সিংহ, ষাঁড় প্ৰভৃতি পশুমূৰ্তি অতিশয় আকৰ্ষণীয়। ধৌলিৰ খোদিত হাতীৰ বিশাল মূৰ্তি মৌৰ্য যুগৰ উল্লেখযোগ্য ভাস্কৰ্য। স্তম্ভৰ শীৰ্ষভাগৰ পশুমূৰ্তিৰ গঠন প্ৰণালী আৰু মসৃণতা অতি মনোমুগ্ধকৰ। বাৰাণসীৰ ওচৰৰ সাৰনাথৰ স্তম্ভই আজিও মানুহক মোহিত কৰে। মৌৰ্য যুগৰ ভাস্কৰ্য-স্থাপত্যত গ্ৰীক আৰু ইৰাণী প্ৰভাৱ প্ৰতিফলিত হৈছিল বুলি বহু পণ্ডিতে মত পোষণ কৰে। কুষাণ যুগ ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ এটি স্মৰণীয় অধ্যায়। এই যুগতে ভাৰতীয় আৰু গ্ৰীক শিল্পধাৰাৰ সমন্বয়ত বিখ্যাত 'গান্ধাৰ শিল্পকলা ' গঢ় লৈ উঠিছিল। বৌদ্ধ ভাস্কৰ্য-শিল্পৰ ওপৰত গ্ৰীক আৰু ৰোমান শিল্পৰ প্ৰভাৱ পৰি সুদৰ্শন বৌদ্ধ মূৰ্তিবোৰ নিৰ্মিত হৈছিল। সম্ভৱতঃ এই সময়ত গান্ধাৰ শিল্পীসকলে গ্ৰীক দেৱতা এপ'লো, জিউছ আদিৰ আৰ্হিত চালে চকু ৰোৱা মূৰ্তিবোৰ নিৰ্মাণ কৰিছিল। মথুৰাত আৱিষ্কৃত কনিষ্কৰ এটি মস্তকহীন প্ৰস্তৰ মূৰ্তি আৰু পুৰুষ-পুৰৰ বিশাল "চৈত্যই এতিয়াও দৰ্শকক চমৎকৃত কৰে।"

ক) মূল পাঠৰ লগত এতিয়াও পাঠাংশ মিলাই চাওঁক আৰু তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰক।

১। মূল পাঠত নথকা অথচ ইয়াত ব্যৱহাৰ কৰা অতিৰিক্ত শব্দ তিনিটা কি কি?

.......................................................................................................

.......................................................................................................

২। মূল পাঠৰ কোন দুটা বাক্য ওপৰৰ পাঠাংশত নাই?

.......................................................................................................

.......................................................................................................

৩। মূল পাঠৰ কোন শব্দৰ পৰিৱৰ্তে কোন শব্দ ব্যৱহাৰ কৰা হৈছে?

.......................................................................................................

.......................................................................................................

খ) 'বৌদ্ধ' আৰু 'বুদ্ধ' শব্দ দুটা এটাৰ সলনি আন এটা ব্যৱহাৰ কৰিব পাৰি নে? শব্দ দুটা ব্যৱহাৰ কৰি দুটা বাক্য ৰচনা কৰক।

.......................................................................................................

..............................................................................................................

গ) স্তম্ভ আৰু স্তুপৰ মাজত প্ৰভেদ কি?

..............................................................................................................

..............................................................................................................

ঘ) ধৌলিগিৰি ক'ত আৰু ইয়াৰ ভাস্কৰ্য কোন যুগৰ?

..............................................................................................................

..............................................................................................................

ঙ) মৌৰ্যযুগৰ ভাস্কৰ্য-স্থাপত্যত কিহৰ প্ৰভাৱ পৰিলক্ষিত হয়?

..............................................................................................................

..............................................................................................................

চ) কোন ৰজাই বুদ্ধদেৱৰ বাণী প্ৰচাৰ কৰিছিল?

..............................................................................................................

..............................................................................................................

ছ) গান্ধাৰ শিল্পকলা কোন যুগত গঢ় লৈ উঠিছিল?

..............................................................................................................

..............................................................................................................

জ) গান্ধাৰ শিল্পীসকলে কিহৰ আহিত বুদ্ধমূৰ্তিবোৰ নিৰ্মাণ কৰিছিল?

..............................................................................................................

..............................................................................................................

ঝ) কনিষ্কৰ প্ৰস্তৰমূৰ্তি কোন ভাস্কৰ্যৰ সাক্ষী?

..............................................................................................................

..............................................................................................................

### ৮.৩.৪ লিখন অনুশীলন

১। সাৰাংশৰ পৰা প্ৰধান প্ৰধান কথাবোৰ ক্ৰমে ১,২,৩,৪ এনেকৈ নম্বৰ দি টোকা কৰক ।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। তলৰ পৰিচ্ছেদটোৰ বাক্যবোৰ সৰল বাক্যলৈ ৰূপান্তৰিত কৰি পৰিচ্ছেদটো পুনৰ লিখক ।

সাতবাহন ৰজাসকল ব্ৰাহ্মণ আছিল যদিও বৌদ্ধ শিল্পকলাৰ প্ৰতি সমানে পৃষ্ঠপোষকতা আগ বঢ়াইছিল। চালুক্য ৰজা সকলৰ মঠ-মন্দিৰত উত্তৰ আৰু দক্ষিণ ভাৰতৰ কলা-কৌশলৰ সমন্বয়ৰ সুন্দৰ প্ৰকাশ মনকৰিবলগীয়া । মুঠতে দক্ষিণ-ভাৰতৰ ৰাজবংশসমূহৰ আমোলত যি ভাস্কৰ্য-স্থাপত্যৰ বিকাশ ঘটিছিল সি কেৱল দক্ষিণ-ভাৰতৰে নহয়, সমগ্ৰ ভাৰতৰে অমৰ কীৰ্তি।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

৩। তলত দিয়া জঁকাটোৰ সহায়ত এটা অৰ্থপূৰ্ণ পৰিচ্ছেদ লিখি উলিয়াওক । প্ৰয়োজন বোধ কৰিলে মূল পাঠটো এবাৰ পঢ়ি চাবও পাৰিব ।

ইছলামৰ আগমন - যুগান্তকাৰী ঘটনা - আৰবীয়, পাৰ্ছী, তুৰ্কী প্ৰভাৱ - অৱয়ব ইছলামীয়, আত্মা সম্পূৰ্ণ ভাৰতীয় - নমুনা চুলতানী, শিল্পী ভাৰতীয় - মছজিদত কলহ বা পদুম ফুলৰ চানেকি - ৰাজস্থানত মুছলমান আহিত বৃহৎ ৰাজপ্ৰাসাদ, স্তম্ভ, তোৰণ আদিৰ নিৰ্মাণ ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪। 'ক' স্তম্ভত দিয়া বাক্যাংশৰ লগত 'খ স্তম্ভত দিয়া বাক্যাংশ মিলাই অৰ্থপূৰ্ণ বাক্য ৰচনা কৰক ।

| **ক স্তম্ভ** | **খ স্তম্ভ** |
|---|---|
| আফগান বীৰ শ্বেৰচাহ | শিল্পকলাৰ মহান পৃষ্ঠপোষক |
| আওৰংগজেবৰ বাহিৰে | নালন্দা বিশ্ববিদ্যালয়ৰ সংস্কাৰক |
| অন্যান্য মোগল সম্ৰাটসকল | দেৱান-ই-খাচ,দেৱান-ই-আম |
| বংগৰ পালবংশীয় ৰজাসকল | জুমা মছজিদ আদিৰ নিৰ্মাতা |
| অসমৰ আহোম ৰজাসকল | ভাঙৰ ভাঙৰ মছজিদ, মিনাৰ |
| প্ৰেমৰ পূজাৰী ছাহজাহান | মহল আদিৰ নিৰ্মাতা |
| কুতুবুদ্দিন, আলাউদ্দিন | প্ৰশাসনিক সংস্কাৰক |
| খিলিজি আদি চুলতান | হিন্দুধৰ্মত অনুৰক্ত |
| সকল | আকাশচুম্বী মন্দিৰৰ নিৰ্মাতা । |

৫। তলৰ শব্দ খণ্ডবাক্যবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰক । যাউতিযুগীয়া, চালে চকুৰোৱা, আধাৰ, চহকী, লোপ হোৱা, বাৰে বৰণীয়া, সামঞ্জস্য, পৰিব্ৰাজক, ভূয়সী, চকু জুৰোৱা ।

৬। তলৰ কথাখিনি পাঠৰ কোন অংশত আছে আৰু কি প্ৰসংগত কোৱা হৈছে ?
ভাৰতীয় ভাস্কৰ্য-স্থাপত্য মুখ্যতঃ ধৰ্মীয় আধাৰৰ ওপৰত প্ৰতিষ্ঠিত । ব্ৰাহ্মণ্য, বৌদ্ধ, জৈন, ইছলাম আদি বিভিন্ন ধৰ্মী ভাব ইয়াত সংমিশ্ৰিত হৈছে । পূজা, প্ৰাৰ্থনা, নামাজ, উপাসনা আদিৰ বাবেই বিভিন্ন মন্দিৰ, মছজিদ, বিহাৰ আদি নিৰ্মাণ কৰা হৈছিল । হিন্দু ধৰ্মৰ অনেকখিনি প্ৰভাৱ মন্দিৰবোৰৰ গাত বিৰাজমান । শৈৱধৰ্মৰ প্ৰভাৱত উড়িষ্যা আৰু অসমত বহুতো মঠ-মন্দিৰ নিৰ্মিত হৈছিল । তান্ত্ৰিক ধৰ্মৰ প্ৰভাৱো মন্দিৰবোৰত পৰিছিল । দশম শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ ভাৰতবৰ্ষত প্ৰতিষ্ঠিত কিছুমান মন্দিৰৰ ভাস্কৰ্যত নৰ-নাৰীৰ মিলনৰ দৃশ্যৰ প্ৰাধান্য দেখা যায় ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

৭। পাঠটোৱে ভাৰতৰ গৌৰৱময় সমন্বয়ধৰ্মী সংস্কৃতিৰ কিবা আভাস দাঙি ধৰিব পাৰিছে নে লিখক ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

৮। এটা শব্দত প্ৰকাশ কৰক ।

ক) যিয়ে শিলত মূৰ্তি আদি খোদিত কৰে ঃ

খ) যি স্থাপত্য বিদ্যাত পাকৈত ঃ

গ) যাৰ মাক-বাপেক নাই ঃ

ঘ) যি সু-উচ্চ চূড়া বা গম্বুজে আকাশৰ বুকু ভেদ কৰে ঃ

ঙ) যিয়ে জ্ঞান আহৰণৰ বাবে দেশে দেশে ঘূৰি ফুৰে ঃ

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

৯। তলৰ প্ৰতি যোৰ বাক্য লগ লগাই একোটাকৈ যৌগিক বাক্য ৰচনা কৰক ।

ক) চোল বংশীয় ৰজাসকল ভাস্কৰ্য-স্থাপত্যৰ ভাণ্ডৰ পৃষ্ঠপোষক আছিল । তাঞ্জোৰৰ বিশাল ৰাজ ৰাজেশ্বৰ শিৱ মন্দিৰেই তাৰ প্ৰমাণ ।

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

খ) মহেঞ্জোদাৰো হাৰাপ্পাত ইটাৰে নিৰ্মিত বহুত পকীঘৰ, স্নানাগাৰ, নাদ, জীৱ-জন্তুৰ মূৰ্তি আদি পোৱা গৈছে । সেইবোৰ প্ৰাচীন ভাৰতীয় ভাসকৰ্য-স্থাপত্যৰ উল্লেখযোগ্য নিদৰ্শন ।

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

## ৮.৪ উত্তৰ সংকেত

আগতে বোধজ্ঞান আৰু বৈয়াকৰণিক অনুশীলনী যিবোৰ দিয়া হৈছিল, সেইবোৰৰ উত্তৰ তলত দিয়া হ'ল । এতিয়া আপোনালোকে দিয়া উত্তৰৰ লগত মিলাই চাই, য'ত য'ত আপোনালোকৰ ভুল হৈছিল সেইবিলাক শুধৰাই লওক ।

**সাধাৰণ অনুশীলনী ঃ**

১। (ক) অশুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

(ঘ) অশুদ্ধ

(ঙ) শুদ্ধ

(চ) অশুদ্ধ

(ছ) অশুদ্ধ

(জ) অশুদ্ধ

(ঝ) অশুদ্ধ

(ঞ) শুদ্ধ

২। (ক) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই ভাৰতৰ সুমহান সভ্যতা-সংস্কৃতিকে প্ৰতিফলিত কৰিছে ।

(খ) ভাৰতীয় ভাস্কৰ্য-স্থাপত্য মূলতঃ ধৰ্মমূলক ।

(গ) ভাৰতীয় ভাসকৰ্য-স্থাপত্যই আমাৰ জাতীয় ঐক্যৰ ভাৱ সুদৃঢ় কৰে ।

(ঘ) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম উল্লেখযোগ্য নিদৰ্শন সিন্ধু উপত্যকাৰ ভাস্কৰ্য-স্থাপত্যত পোৱা যায় ।

(ঙ) মৌৰ্য যুগত মহাৰাজ আশোকৰ দিনত ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ বিকাশ হৈছিল ।

(চ) গান্ধাৰ শিল্পকলা কুষাণ যুগত গঢ় লৈ উঠিছিল ।

(ছ) অজন্তাৰ গুহাবিলাক আৱিস্কৃত হয় ১৮১৯ চনত ।

(জ) দক্ষিণ-ভাৰতৰ ভাসকৰ্য-স্থাপত্যৰ বিকাশত সাতবাহন, পল্লৱ, পাণ্ড্য, চোল, ৰাষ্ট্ৰকূট আদি ৰাজবংশৰ ৰজাসকলে বৰঙণি আগবঢ়াইছিল ।

(ঝ) মোগল যুগত ভাস্কৰ্য-স্থাপত্যৰ চৰম উন্নতি হৈছিল মহান স্থাপত্য প্ৰেমী সম্ৰাট ছাহজাহানৰ দিনত ।

(ঞ) খাজুৰাহো, কোণাৰ্ক, কাঞ্চীপুৰম, বেলুৰ আদি মন্দিৰত নৰ-নাৰীৰ মিলনৰ দৃশ্যৰ প্ৰাধান্য আছে।

৩। ক- ৩
খ- ১
গ- ৩
ঘ- ৩
ঙ- ২
চ- ৩

**বৈয়াকৰণিক অনুশীলনী ঃ**

প্ৰশ্ন ১। ক) ভাৰতৰ যি ভাস্কৰ্য-স্থাপত্য সি এক সমন্বয়ৰ প্ৰতীক ।
খ) ভাৰতৰ যি নটৰাজ মূৰ্তি সি বিশ্বৰ আপুৰুগীয়া ভাস্কৰ্য ।
গ) এটা জাতিৰ যি জাতীয় চৰিত্ৰ সেয়া ভাস্কৰ্য-স্থাপত্যত সূক্ষ্মভাৱে প্ৰকাশ পায় ।

প্ৰশ্ন ২। ক) জটিল বাক্য
খ) যৌগিক বাক্য
গ) সৰল বাক্য
ঘ) যৌগিক ।

প্ৰশ্ন ৩। ক) যুগ যুগ ধৰি বাহিৰৰ পৰা অহা বিভিন্ন মানুহৰ সোঁতৰ সমন্বয়ত ভাৰতীয় সভ্যতা গঢ় লৈ উঠিছে ।
খ) পাৰশ্য, গ্ৰীক, ৰোমান, পাৰ্ছী, তুৰ্কী আদিৰ সমন্বয়ত ভাৰতীয় সভ্যতা গঢ় লৈ উঠাৰ দৰে ভাৰতীয় ভাস্কৰ্য-স্থাপত্যইও আফগানিস্থান, কান্দাহাৰ, চীন, ইন্দোচীন, যাভা, বৰ্ণিও আদি দেশৰ স্থাপত্য কলাক গভীৰ ভাৱে প্ৰভাৱান্বিত কৰিছিল ।
গ) বৈদিক যুগতো ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ উন্নতি হোৱাতোত কোনো সন্দেহ নাই ।

## ৮.৫ অতিৰিক্ত পঠন উপদেশ ঃ

বিস্তৃত জানিবৰ কাৰণে তলৰ গ্ৰন্থ কেইখন পঢ়িব পাৰে ।

১। *Indian Architecture through the Ages* :- E.B. Hevell.

২। *History of Indian and Indonesian Art* :- A. Coomaraswamy

৩। *অপৰূপ অজন্তা* ঃ নাৰায়ণ সান্যাল (বাংলা গ্ৰন্হ)

৪। *ভাৰতীয় চিত্ৰকলা* ঃ হেমন্ত মিশ্ৰ ।

## ৮.৬ ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত ঃ

ওপৰৰ পাঠটো পঢ়ি আপোনালোকে ভাৰতৰ ঐতিহ্যময় অতীতৰ বিষয়ে বহুকথা জানিবলৈ পালে ইয়ে হয়তো আপোনালোকৰ মনত নানা ঔৎসুক্য জগাই তুলিছে। অলেখ প্ৰশ্নই মনত খু-দুৱনি সৃষ্টি কৰিছে আপোনালোকে নিশ্চয়ে লক্ষ্য কৰিছে আজিকালি শিলত কটা মন্দিৰ, প্ৰাসাদ, মঠ আদি নিৰ্মাণ কৰণ নহয় বুলিবই পাৰি। শিলত কটা মূৰ্তি আদিৰ প্ৰাদুৰ্ভাৱো ক্ৰমে কমি আহিছে অসমত উড়িষ্যা, খাজুৰাহো আদিৰ নিচিনা ভাস্কৰ্য-স্থাপত্যই গা-কৰি উঠিব নোৱাৰিলে। অসমৰ মঠ-মন্দিৰবোৰো প্ৰায়ে গম্বুজাকৃতিৰ। ইয়াৰ নিৰ্মাণ প্ৰণালী ভাৰতৰ অন্য-প্ৰান্তৰ লগত নিমিলে। চূণ চুৰ্কী, মাহ, কণী, গুড় আদি হেনো পুৰণি কালৰ গৃহ-নিৰ্মাণত ব্যৱহাৰ কৰা হৈছিল। চিমেন্ট, ইটা, বালি আদিয়ে আজিকালি বিশাল জনপ্ৰিয়তা লাভ কৰিছে। অসমত প্ৰচলিত 'আসাম টাইপ 'ঘৰৰ আহিঁ ভাৰতৰ অন্য ঠাইত নাই। আজিকালিও অসমত অন্য ঠাইৰ নিচিনা দুমহলীয়া বা বহুমহলীয়া অট্টালিকা দেখিবলৈ পোৱা নাযায়। এই বিষয়বোৰৰ সম্বন্ধে আপোনালোকৰ মনত নানা প্ৰশ্নৰ উদয় হব পাৰে। সেই সকলোবোৰৰ বিষয়ে সৰু সৰু প্ৰশ্ন কৰি আমালৈ লিখি পঠিয়াওক।